# নীতি-মালা।

প্ৰথম পাঠ।

শ্ৰীগোলোকচন্দ্ৰ বৰুৱা কাব্যবিনোদ।

বিদ্যাবাৰী গোৰীশঙ্কৰ যন্ত্ৰত,
শ্ৰীৰত্নেশ্বৰ চক্ৰবৰ্ত্তীৰ দ্বাৰা ছাপা হ'ল।

# নীতিমালা।

(অসমীয়া ভাষাত নীতি বিষয়ক পদ।)

প্ৰথম ভাগ।

শ্ৰীগোলোক চন্দ্ৰ বৰুৱা

কাব্যবিনোদ।

শ্ৰীযুক্ত শিবনাথ ভট্টাচাৰ্য্য

যোৰহাট

প্ৰথম তাঙ্কৰণ।

বেচ ৵০ দুঅনা মাথোঁন।

# উৎসর্গ।

পৰম পূজনীয় শ্ৰীলশ্ৰী৪যুক্ত কীৰ্ত্তিচন্দ্ৰ ভট্টাচাৰ্য্য বিদ্যাভূষণ গোস্বামি দয়াময় প্ৰভুৰ শ্ৰীশ্ৰী৪চৰন কমল যুগলত সাদৰ ভক্তি আৰু উলাহমনেৰে এই ক্ষুদ্ৰ ফুল পাহিৰে অৰ্চ্চনা কৰিলোঁ।

সেবক গোলোক।

গোহাটী,
উজান বাজাৰ,
১২।১০ ০৮

# বিজ্ঞাপন।

এই পুথি খনি নিম্ন আৰু উচ্চ প্ৰাইমাৰী আদি স্কুলৰ ছাত্ৰ আৰু অন্যান্য লোক সকলৰো নীতি বিষযে জ্ঞান জন্মিব বুলি ভাবি সংস্কৃত নীতি শাস্ত্ৰৰ শ্লোকৰ পৰা অসমীয়া ভাষাত পদ্য কৰি ভাঙ্গি লিখা হল। এই নীতি ফুল পাহিয়ে সকলো লোককে নিযম সুগন্ধ দিবপাৰিলেই পৰিশ্ৰম সফল হব বুলি ভাবিম

বিনীত

শ্ৰীগোলোক চন্দ্ৰবৰুৱা
কাব্যবিনোদ।

# নীতিমালা ।

—–০ঃ০৵০ঃ০—–

বিদ্যা যাৰ আছে আৰু নৰপতি যনে ।
কদাচ সমান হব নোৱাৰে দুজনে ।
নিজৰ দেশত মাথোঁ নৃপে পূজা পায় ।
বিদ্বানৰ পূজা বিদেশতো নেহেৰায় । ১ ।
সকলো সুগুণ আছে পণ্ডিত লোকত ।
যত দোষ আছে মানে মূৰুখ জনত ।
সিহেতু মূৰুখ যদি এহেজাৰো হয় ।
পণ্ডিত জনক সকলোৱে সলাগয় । ২ ।
পৰতিৰী মাতৃদৰে ভাবে যিটো নৰে ।
পৰৰ বস্তুক দেখে চপৰাৰ দৰে ।
নিজৰ নিচিনা দেখেযেয়ে সকলোকে ।
জানিবা পণ্ডিত বুলি সিজন লোকক । ৩।
মহত কুলত জন্মি পাৰে কি কৰিব ?
গুণহীন হয় ষদি কি কাম সাধিব ।
অকুলীনো হই যদি শাস্ত্ৰজনা হয় ।
দেবতায়ো সিজনক অৰ্চ্চনা কৰয় ।৪।

তেজে মুখে ফুটা যেন ৰূপ নিৰুপম।
লই যদি ধৰে বৰকুলত জনম॥
বিদ্যাহীন হলে তেও কদাচ নোশোভে।
গন্ধহীন পলাশক কোনে লয় লোভে? ॥৫॥
আকাশৰ ভূষণ চন্দ্ৰ তিৰোতাৰ পতি।
পৃথিবীৰ অলঙ্কাৰ জানা নৰপতি॥
সকলো জনৰমাত্ৰ বিদ্যাই ভূষণ।
যি বিদ্যা শিকিলে লভে জ্ঞান মহাধন॥৬॥
যদি কোনো পিতা মাতা লৰা নপঢ়ায়
তেনে মাতা পিতৃ বৈৰী বুলি লোকে কয়।
হাঁহৰ মাজত থকা বগলীৰ দৰে
যিহেতু লৰাই শোভা কৰিব নোৱাৰে॥৭॥
হলে হক গুণীপুত্ৰ এটায়েই ভাল।
শত মূৰ্খপুত্ৰ হোৱা আপোনাৰ জঞ্জাল।
অন্ধকাৰ নাশ কৰে এটী চন্দ্ৰই।
নোৱাৰে নাশিব তৰা শত সকলুই॥৮॥
শিশুক কৰিব পঞ্চ বচৰ লালন।
দশবৰ্ষ পৰিমিত কৰিব তাড়ন॥
যেতিয়া দিবহি ভৰি ষোল বচৰত।
আচৰিব মিত্ৰ ভাব জানিয়ে পুত্ৰত॥৯॥

লালনা হইছে বহুদোষৰ আকৰ ।
তাড়নাই মূল জানা অনেক গুণৰ ॥
অতএব ছাত্ৰক আৰু তনয়ক ।
লালনা নকৰি বহুতাড়না কৰক ॥১০॥
একেজুপি সুগছেই সুগন্ধফুলেৰে ।
গোটেই হাবিক ফুলি আমোদিত কৰে ॥
নিজৰ কুলকো সেইদৰে সুপুত্ৰই ।
সুগুণ গোন্ধেৰে আমোদিত কৰিলয় ॥ ১১ ।
ভাল পাত নাইকিয়া কুগছ জোপাই ।
নিজ খোৰোঙ্গৰ পৰা জুই উলিয়ায় ॥
যদৰে গোটেই হাবি পুৰি ভস্মকৰে ।
কুপুত্ৰয়ে নিজবংশ দহে সেইদৰে ॥১২॥
গোৰোৱা লেটোৱা ধৃতি চাদৰ কানত
কাপোৰে কানিযে অলঙ্কাৰে ভৰাগাত ॥
ছুৰ্হুতই শোভাকৰে ধুনিয়া মূৰ্খয ।
শোভিব যেতিয়ালৈকে একোকে নকয ॥১৩॥
বিষৰ পৰাও লাগে লব অমৃতক ।
চুৰনিৰো পৰা তুলি আনিবা সোনক ॥
অজাতিৰো পৰা লোৱা বিদ্যা মহাধন ।
শানুকৰো পৰা লবা মুকুতা ৰতন ॥১৪॥

থাবলই নোহোৱাত শত্ৰুৰযুজত।
বিয়া আদি সকামত বিপদ কালত ॥
ৰজাৰ ঘৰত আৰু মৰিশালনিত।
সিজনেই বন্ধু যেয়ে থাকে উপস্থিত ॥১৫॥
কাৰ্য্য নাশ কৰেথাকি চকুৰ আঁৰত।
মিঠা কথা কয় হাহি চকুৰ আগত ॥
পেটটী বিহেৰে ভৰা মখত মধুৰ।
এনে মিত্ৰ হ'লে আঁতৰে কৰ দূৰ ॥১৬॥
এবাৰ পোটক তোলা বন্ধুৰে দুনাই।
মিতালি কৰিব খোজে যদি অক্লেশই ॥
কেকোঁৰা গৰ্ভৰ * দৰে সিজনক নিশ্চয়।
মৰণক মাতি আনি সম্বৰে লয় ॥১৭॥
কৰিব নেলাগে অবিশ্বাসীক বিশ্বাস।
নকৰিবা একেবাৰে মিত্ৰক বিশ্বাস ॥
ঠোটা মোক লগা মাত্ৰে বিশ্বাসী মিত্ৰই।
জানোচা সকলো দোষ প্ৰকাশ কৰয় ॥১৮॥
পাচোঁতে জানিব পাৰি ভৃত্য সকলক।
জানি ল'বা বিপদত বান্ধৱ জনক ॥
মিতিৰ চিনিব পাৰি আপদ কালত।
ভাৰ্য্যাক চিনিব পাৰি বিভৱ-ক্ষয়ত ॥ ১৯॥

উপকাৰ কৰি ধৰি অনা শত্ৰুৰেহে ?
শত্ৰুক ধৰিব পাৰি আঁতৰিব তেহে ?
ভৰিত সোমোৱা হুল হাতৰ হুলেৰে ।
কাঢ়িলে ওলাই যায় নহ’লে নাতৰে ॥ ২০ ॥
কাৰো কোনো কদাচিতো মিত্ৰিৰ নহয়
কাৰো কাকো কেতিয়াও শত্ৰু নোবোলয় ॥
কাত কেনে ব্যবহাৰ সেয়েহে দেখায় ।
কোনেনো শতুক কোনে মিত্ৰিৰ বোলায় ॥ ২১ ॥

*গাধৰ পৰা ঘোঁৰাত জন্ম হোৱাটোক অশ্বতৰ বোলে । অশ্বতৰৰ স্ত্ৰী অশ্বতৰী । অশ্বতৰীৰ গৰ্ভ হ’লে পোৱালী জগাৰ সময়তে মৰে । গৰ্ভই মৰণৰ কাৰণ । ইয়াকে অশ্বতৰীৰ গৰ্ভ ন্যায় বোলে । যেতিয়া নিজৰ কাৰ্য্য কাৰণ নাশ হয়, এই ন্যায় তাত খাটে । সেইদৰে কেঁকোৰাৰ গৰ্ভ হ’লে সেইজনী কেঁকোৰাক পোৱালীবোৰেই খুটি খুটি খায় । বৃধিকলা কেঁকোৰাই সৌভৰ পোৱালীবোৰ এটি এটিকৈ খেদি পুনঃ নমৰি তেনে মৰিবলগীয়া গৰ্ভ আকৌ ধৰে । ইয়াক কেঁকোৰা গৰ্ভ ন্যায় বোলে । এই দৰেই বৃশ্চিকী গৰ্ভ, কল কুল (কদলী কুসুম), বাহগুটি (বেনু ফল) ন্যায় । এতেকে অশ্বতৰী গৰ্ভ, বৃশ্চিকী গৰ্ভ, কৰ্কটী গৰ্ভ, কদলী-কুসুম, আৰু বেনু-ফল এই পাঁচ বিধ ন্যায় ।

“যত্ৰ কিল কাৰ্য্যজননাৎ কাৰণনাশো বিবক্ষ্যেত
তত্ৰাশ্বতৰীগৰ্ভাদিভ্যো ন্যায়ঃ প্ৰযোক্তব্যঃ ॥”

দুৰ্জ্জন মানুহে যদি প্ৰিয় কথা কয়।
কদাচ বিশ্বাস কৰা উচিত নহয় ॥
মধু থাকে দুৰ্জ্জনৰ জিবাৰ আগত।
হলাহল বিষ থাকে বুকৰ মাজত ॥ ২২ ॥
অলঙ্কৃতো হয় যদি বিদ্যাভুষণেৰে।
দূৰতে এৰিবা নেথাকিবা দুৰ্জ্জনেৰে ॥
মনি অলঙ্কাৰ যদি মূৰতে আছয়।
তথাপি সাপৰ লগ কোনেও নলয় ॥ ২৩ ॥
খল আৰু সাপ দুয়ো জগততে ক্ৰুৰ।
দুয়োটা ক্ৰুৰৰ মাজে খল মহা ক্ৰুৰ ॥
মন্ত্ৰ দৰবেৰে হয় সাপৰ বাৰণ।
কিহেৰে কৰিব পাৰি ? দুষ্ট নিবাৰণ ॥ ২৪ ॥
নখাল শিঙ্গাল আৰু নদী তিৰোতাক
তৰোৱাল আছে যাৰ হাতত সিহঁতক ?
কদাচিতো তিৰোতা ৰজাৰ কুলত।
বিশ্বাস স্থাপন কৰা নহয় যুগুত ॥ ২৫ ॥
হাতী হ'লে এহেজাৰ হাতৰ দূৰত।
ঘোঁৰা হ'লে এশহাত থাকা আঁতৰত ॥
শিঙ্গাল জন্তুত হাত দহোটী এৰিবা।
দুষ্টক দেখিলে হ'লে স্থানকো তেজিবা ॥ ২৬ ॥

আপদ কাৰণ ৰাখি থব লাগে ধন।
পুহিব ধনকো ভাঙ্গি পৰিয়াল গণ॥
সততে ৰাখিব লাগে নিজক সুখেৰে।
ধন ভাঙ্গি পৰিবাৰ ৰাখিও দুখেৰে॥২৭॥
নিন্দাকৰা, পৰা গালিশপনি লোকক।
পৰস্ত্ৰ তিৰীক আৰু পৰৰ দ্ৰব্যক॥
গুৰুৰ আগত ভেঙ্গুচালি নিধকালি।
এৰ লোকে নোবোলক কৰা অতপালি॥২৮॥
কৰ এটা পৰিহাৰ কাৰণে কুলৰ।
এৰিদিযা কুলকেই কাৰণে গাঁৱৰ॥
দেশৰ কাৰণে সোনা গাওঁ পৰিহৰা।
নিজৰ কাৰণে হলে পৃথিবীকে এৰা॥২৯॥
এটা ভৰি ডাঙ্গি খোজ কাঢ়ি থাকে গৈ
ইতো ভৰি পাৰি বুধিয়কে থাকে বৈ॥
নেদেখি আগৰ ঠাই পৰীক্ষা নকৰি।
কদাচ আচল ঘৰ নাহে পৰিহৰি॥৩০॥
লোভীক ধনেৰে পাৰি লব হাত কৰি।
খঙ্গালক আনা ধৰি হাত যোৰ কৰি॥
আশয় মাতিহে ধৰা মূৰুখ জনক।
সচাঁ কথা কবা নিতে পণ্ডিতলোকক॥৩১॥

হয় যদি ধননাশ নকয় লোকত।
মনে মনে থাকে পায়ো সন্তাপ মনত ॥
ঘৰৰ কলঙ্ক আৰু বঞ্চনাপমান।
নকৰে বেকত কতো জনে মতিমান ॥৩২॥
ধন ধান অনা ধাৰে দিয়াদি কৰোঁতে।
পঢ়াশুনা আদি বিদ্যা শিকোতে মেলোতে ॥
আহাৰ কৰোঁতে আৰু বেহা বেপাৰত।
লাজ এৰি যোৱাঁ নিতে উন্নতি বাটত ॥৩৩॥
বেদজ্ঞ ব্ৰাহ্মণ আৰু নৈ নৰপতি।
ভাল জনাশুনা কবিৰাজ ই পাচোঁটী ॥
যিথন দেশৰ মাজে নেথাকে সোনাই
নলবা নলবা সিদেশত থকা ঠাই ॥৩৪॥
যি দেশত নাই মান যাৰ যেনেকই।
মৰম ধৰম নাই বন্ধু কোনোৱেই ॥
কোনো বিদ্যা অহ্না যোৱা কৰা নাই বাট।
তত্তালিকে পাৰিহৰা নেথাকিবা তাত ॥৩৫॥
মনেৰে ভাবনা কৰা যিটী শুভকায।
কথাৰে কদাচ তাক নকৰিবা বাক্ত ॥
আনে চকুদিয়া কাম নিসিজে হঠাৎ।
চকুত লোকৰ আছে অনেক ব্যাঘাত ॥৩৬॥

কুচ্ছিত জীবিকা আৰু কুচ্ছিতা নদীক।
কুচ্ছিত দেশক আৰু কুচ্ছিতা নাৰীক॥
কুচ্ছিত বস্তুক আৰু কুচ্ছিত খাদ্যক।
এৰি দিয়ে ততালিকে জানে বিবেচক॥১৭
ৰাখিলে ধাৰৰ বাকী বাঢ়িব জুনাই।
অকনো বেমাৰ বাকী ৰাখিব নেপায়॥
ৰাখিলে অগনি শেষ জ্বলিব ন্বৰাই।
নেৰাখিবা বাকী যিহেতু বাঢ়ে পুনৰায়।১৮॥
কেবলে চিন্তাই মাৰে মানুহৰ জুৰ।
বহু বেলী ৰদ পোৱা জুৰ কাপোৰৰ॥
পাতিৰ এলাগী ছোৱা [illegible] জৰ।
এলাহিকে জৰ বোলে পণ্ডিত [illegible]ৰৰ॥১৯॥
পোৱে শুনা কথা যব [illegible]।
[illegible]॥
[illegible]।
[illegible]।২০॥
অসতী তিৰোতা আৰু [illegible]।
চাকৰে উত্তৰ কৰে মুখতে গিটিৰ॥
সাপৰ লগত একেঘৰ কৰে বাস।
মৰণ নিশ্চয় তাৰ আহি চাপে কাষ।২১॥

যিটো অভাগাৰ নাই ঘৰত জননী ।
যদিহে গৃহিনী আছে অপ্ৰিয়বাদিনী ॥
যাব লাগে গুচি হাবিলই সেইজন ।
ঘৰ যেনেকুৱা তাৰ তেনেকুৱা বন ॥৪২॥
যদিহে ধৰুৱা হয় শত্ৰুক পিতাক ।
অসদাচাৰিণী যদি শত্ৰু হয় মাক ॥
লাহতী ৰূপহী ভাৰ্য্যা শত্ৰুক প্ৰমান ।
পণ্ডিত নহয় যদি পুত্ৰেক সমান ॥৪৩॥
যাতেহে মাধ্যান ৰূপ বুলি কোকিলৰ
পতিব্ৰতা ৰূপ জান তিৰী সকলৰ ॥
কেৱল বিদ্যাই ৰূপ কুৎসিত লোকৰ ।
ক্ষমাই লগাৰ ৰূপ তপস্বী লোকৰ ॥ ৪৪॥
বিদ্যা নাই যাৰ তাৰ শূন্য জীৱনত ।
বান্ধৱ নহলে শূন্য চতুৰ্দ্দিশত ॥
ঘৰ শূন্য হয় যদি নেথাকে তনয় ।
দৰিদ্ৰ লোকৰ সকলোতে শূন্যময় ॥৪৫॥
বংশৰ দোষত হয় কৃপণ মানব ।
কৰ্ম্মদোষে পৰে নৰ দৰিদ্ৰ জালত ॥
উন্মাদ উপজে পৰ মাতাৰ দোষত ।
পিতা দোষে পৰে মূৰ্খৰ গণনাত ।৪৬॥

জানিবা অগনি গুৰু ব্ৰাহ্মণ জনৰ ।
ব্ৰাহ্মণকে গুৰু বোলে ইতৰ লোকৰ ॥
এজনা মাথোঁন তিৰোতাৰ গুৰু পতি ।
সকলোৰে বোলে গুৰু নিজৰ অতিথি ॥৪৭॥
অতি গঁাপ কৰা বাবে লঙ্কা হ'ল নাশ ।
মৰিল কৌৰবে কৰি অতি মান আশ ॥
অতিদানী বলি ৰাজা পৰিল বান্ধত ।
ইহেতু নিদিব কোনো অতি শাদত ॥৪৮॥
কাপোৰ নহলে শোভা নকৰে ভূষণে ।
ভোজন নহয় ভাল ঘৃত অবিহনে ॥
অসদাচাৰিনী তিৰী নোৱাৰে শোভিব ।
বিদ্যাহীন জীৱনে বা কিদৰে ভুলিব ? ৪৯।
খোৱা বস্তু ভাল আৰু ভোজন শকতি ।
শৰীৰ সবল হোৱা সুন্দৰী যুৱতি ॥
অতুল বিভৱ আৰু দিবপৰা বল ।
নোহে এই অলপীয়া তপস্যাৰ ফল ॥ ৫০॥
নাৰী প্ৰয়োজন হয় পুত্ৰৰ কাৰণ ।
পিণ্ডদান কাৰণেহে পুত্ৰ প্ৰয়োজন ॥
হিতৰ কাৰণে মিত্ৰ লাগে সকলোকে ।
সকলো কামতে ধন প্ৰয়োজন লোকে ॥৫১॥

পোৱা টান সচা কথা এই জগতত ।
পোৱা টান ল'ৰা থকা সাধু স্বভাৱত ॥
পোৱা টান সতীভাৰ্য্যা জোখাৰে মনৰ ।
আত্মীয় প্ৰিয়ক পোৱা নহয় সুকৰ ॥৫২॥
পৰ্ব্বতে পৰ্ব্বতে নাই মানিক ৰতন ।
হাতীয়ে হাতীয়ে নাই মকুতা ভূষণ ॥
সকলো ঠাইতে নাই বসতি সাধুৰ ।
হাবিয়ে হাবিয়ে নাই তৰু চন্দনৰ ॥৫৩॥
মুৰ্খায় পণ্ডিত বাবে নকৰা বেজাৰ ।
এনেওঁ শোক পণ্ডিত বান্ধৱ আছেযাৰ ॥
পো—নাতি পৰিয়াল থাকে যজনীৰ ।
নিধনা ছাড়ি শোক নাই নিজ তিৰীৰ ॥৫৪॥
পঢ়া শুনা নজনানি শোকৰ আধাৰ ।
কুবিৰ লগীয়া শোক পৰ নোহোৱাৰ ॥
কৰা শোক থাকনই নোহোৱা প্ৰজাৰ ।
অৰাজক ৰাজ্য ঠিক শোকৰ আগাৰ ॥৫৫॥
কুলীন জনৰ সহ কৰা সমাগম ।
পণ্ডিত জনত ৰাখা মিত্ৰতা ৰতন ॥
গোট গিয়াতিৰে মেল কৰে যি সততে ।
তাৰ নাই পৰাজয় জানা যতেততে ॥৫৬॥

হায় ! দুখদিয়ে তলতীয়া জীসিকাই।
কেও কিছু নাই যত থাকিব নেপায় ॥
কষ্ট সীমা নাই ধনহীন বেপাৰত।
সকলো কষ্টৰে গুৰি আছে দৰিদ্ৰত ॥৫৭॥
ধৰম কৰম ক'ত ? চোৰ মানুহৰ।
ক্ষমা গুণ আছে জানো দুৰ্জ্জন লোকৰ ॥
চেনেহ আছেনে কিবা বেশ্যাৰ লগত।
ক'ত আছে সচাকথা কামী সকলত ॥৫৮॥
চাকৰৰ নাই নাই মান মহাধন।
খঙালে নেপাই ক'তো সুখৰ মৰম ॥
তিৰোতাৰ আছে ক'ত ? সতীত্ব ৰতন।
দুৰ্জ্জনৰ ক'তো নাই মিত্ৰেৰে মিলন ॥ ৫৯ ॥
দুৰ্ব্বলী যি জন বল ৰাজা সি জনৰ।
কন্দাই মাথোন বল ল'ৰা বিলাকৰ ॥
মনে মনে থকা বল মূৰুখ লোকৰ।
মিছা কথা কোৱা বল কেৱল চোৰৰ ॥ ৬০ ॥
যি জনে নিশ্চিত বস্তু কৰি পৰিহাৰ।
অনিশ্চিত বস্তু পাই কৰে পৰিচাৰ ॥
নিশ্চিতো নেথাকে তাৰ ঘুৰাই নেপায়।
অনিশ্চিত নট হোৱা কথাৰ কথাই ॥ ৬১ ॥

দুদিনীয়া তেঙ্গা ভাত শুকান মঙ্গহ।
কাঁচি মৰা দধি-খীৰ নকৰা আগ্ৰহ॥
পুৱাৰ বেলিয়ে ৰাতিপুৱাৰ টোপনীয়ে।
বেগেতে আয়ুষ হৰে এই কেয়োটীয়ে॥ ৬২॥
নতুন মঙ্গহ খাবা ভাতৰো তপত।
বহুগুণ আছে এৰ্ঁা গৰু গাখীৰত॥
তপত পানীয়ে ঘিয়েঁ বেগাই বেগাই।
আয়ুষ বঢ়াই জানা এই কেয়োটাই॥ ৬৩॥
বগলীৰ পৰা এটী এটী মৃগেন্দ্ৰৰ।
কুকুৰৰ পৰা দুটী, তিনিটী গাধৰ॥
চাৰিটী চাৰিটী কাউৰীৰ কুকুৰাৰ।
শিকিলে সততে গুণ পাবা উপকাৰ॥ ৬৪॥
যিহকে তিহকে ক'য সকৰা ডাঙ্গৰ।
যিজন মানস মন কৰে কৰিবৰ॥
সিজনে সিংহৰ দৰে অতি যতনেৰে।
কৰিব সেইটি কায সুচাৰু ৰূপেৰে॥ ৬৫॥
চকু মুখ নাক কান লগাই মনত,
সুৰ পুতি একেবাৰে কৰিবা চেগত॥
যিঠানত যিকালৰ যিটী কাম হয়।
বগলীয়ে যেনে মাছলই খাপলয়॥ ৬৬॥

বহু আশা কৰিথাকে, যিমানকে দিয়ে তাকে,
গিৰিইঁতে সন্তোষেৰে খায়।
বেগতে ঢোপনীযায, বেগতাই সাৰ পায,
মাতিলেই উঠে গীৰিসায়॥
গিৰিইঁতে অ'চবুলি, মতা মাত্রে কানতুলি,
প্রভুত ভকতি দেখুৱায।
বলবান য'তে ত'তে, ছটী কুকুৰৰ হন্তে,
লোৱঁা গুণ তোমাত ৰিজাই॥৬৭॥
অলপো বিশ্রাম নাই ভাৰবৈ যাই।
জাৰ ঘাম বোলে কাক চিনিকে নেপায়॥
সদাই সন্তোষ মনে থাকে উলাহত।
গাধৰ তিনিটী গুণ ৰখোৱঁা মনত॥৬৮॥
নেজানে কোনেও শোৱে গোপনে গোপনে।
কালে কালে ইসি আনি সাঁচে মনে মনে॥
নকৰে এলাহ আৰু ফুৰে সাবধানে।
কাউৰীৰ পৰা চাৰি জনা জনে আনে॥৬৯॥
যুজিবও জানে ভাল উঠেও পুৱাই।
খাবৰ বেলিকা বন্ধু সকলেৰে খায॥
ৰাখে তিৰোতাক যদি পৰে আপদত।
কুকুৰাৰ চাৰি লোৱঁা তোমাৰ লগত॥৭০॥

কি আছে ডাঙ্গৰ ভাৰ সমৰ্থলোকৰ।
ক'ত আছে দূৰ দেশ বেপাৰী বোৰৰ॥
বিদ্যা আছে যাৰ নাই পৰদেশ তাৰ।
পৰ বুলি নাই কেও প্ৰিয়-কথীয়াৰ॥৭১॥
মেলিদিয়া ইন্দ্ৰিয়ক * বাট আপদৰ।
বেয়া এই বাট কৰে অহিত লোকৰ॥
ইন্দ্ৰিয় বোৰক যদি বান্ধি ৰাখি থোৱাঁ।
সম্পদৰ বাট ভাল সেই বাটে যোৱাঁ॥৭২॥
বিদ্যাৰ সমান বন্ধু ক'তো নাই নাই।
ব্যাধিৰ সমান ৰিপু আৰু কোনো নাই॥
চেনেহ অপত্য সম সংসাৰতে নাই।
দৈবৰ বাহিৰে মহাবলী ক'তো নাই ৭৩॥
পৃথিবীৰ বেৰ মাথোঁ অতল সাগৰ।
কেৱোপিনে ধাপ বেৰ কেবল ঘৰৰ॥
দেশৰ ৰজাই মাথোঁ হয় আবৰণ।
তিৰোতাৰ আবৰণ চৰিত্ৰগঠণ॥৭৪॥
ঘৃত কলহৰ দৰে নাৰী জাতি হয়।
তপত অঙ্গঠা বুলি পুৰুষক কয়॥

* চকু, কান, নাক, জিভা, ছাল, এই কেইটাক ইন্দ্ৰিয় বোলে। মনে ইন্দ্ৰিয়ক চলাই।

সেইবাবে ঘিউ আৰু জুই একেলগে।
নথয়, ৰখাই বুধে বেলেগে বেলেগে ॥৭৫॥
মনুহ মানুহতকৈ বেচি তিৰোতাৰ।
চাৰি গুণ বুধি আৰু দুগুণ আহাৰ ॥
উদ্যোগ ছগুণ বুলি বুধ জনে কয়।
আঠ গুণ বেচি কাম পণ্ডিতে বোলয় ॥৭৬॥
পাৰাৱত তণ্ডুল * হলে লাগে সলাগিব।
ভাটী দিলে বয়স তিৰোতা প্ৰশংসিব ॥
ৰণ জিনি তাহা বলী-সম্ভোগ সততে।
ঘৰ পোৱা সহক * সলাগ মতে তাতে ॥ ৭৭ ॥
অসন্তোষী হ'লে হয় নষ্ট দ্বিজ কুল।
সন্তোষ ৰাজাৰ যেনেকৈ নষ্টমূল ॥
লজ্জাবতী হ'লে নষ্ট হয় বেশ্যাগণ।
নিলাজী কুলবধু জানা নাশৰ কাৰণ ॥ ৭৮ ॥
বিদ্যাত পাৰগ কিন্তু আছে কিতাপত।
ধন আছে কিন্তু নিও লোকৰ হাতত ॥
যদিহে সময় মতে নোহে চলন।
তেনে বিদ্যা ধনতো কিবা প্ৰয়োজন ॥ ৭৯ ॥

পুৰণি চাউলৰ ভাত সকলোৰ পথ্য।

*পাৰাৱত পক্ষী নাম তাৰি পক্ষীৰ সাৰেক বিৰিনি। ঘৰলৈ আনিলে তাৰ বিনাশৰ অসম্ভৱ হয়।

অবংশত জন্ম হৈ যদি ৰজা হয়।
মূৰ্খৰ পুতেক যদি সাস্ত্ৰক জানয়॥
দুখীয়াৰ যদি কিছু ধনলাভ হয়।
জগতকে তৃণজ্ঞান কৰিবে নিশ্চয়॥ ৮০ ॥
ব্ৰেহ্মাধী হয়ো যদি লোকে পূজাপায।
বিপুল ধনৰ গিৰি যদিহে বোলায॥
চন্দ্ৰৰ নিচিনা যদি ংশতো জনম।
তথাপিও নিন্দ্য নিটী যদিহে নিৰ্দ্ধন॥৮১॥

পদুমৰ ভয পৰ জীৱ কেমাহ্নত॥
পৰ্ব্বতৰ ভয় বজ্ৰপাত পৰা হয।
সাধুৰ দুষ্টৰ পৰা নিতে হয় ভয়॥৮২॥
জনা শুনা সাধুলোক যিহতে তিহতে।
লগোৱা ৰজাৰ আছে তিনিগুণ ত'তে॥
আটুত যশস্যা আৰু বাস স্বৰগত।
হোৱাহোৰে ধন লাভ হয় জগতত॥৮৩॥
নজনা নুশুনা লোক যিহতে তিহতে।
লগোৱা ৰজাৰ আছে তিনিদোষ ত'তে॥
অপযশ লভে আৰু হয অৰ্থ নাশ।
নৰক গমন কৰে সেই নৃপে আশ॥৮৪॥

বহুত মূৰুখে গৰু ছাগলীৰ দৰে।
ইটোৰে সিটোৰে বহি কোৱাকুই কৰে॥
ভালগুণ ঢাকে যত লেখত ওলায়।
সূৰ্য্যক যিদৰে ঢাকে জলদ–মালাই॥৮৫॥
নদীৰ কাষত যাৰ খেতৰ পথাৰ।
পৰত আশক্তা আৰু ভাৰ্য্যা আছে যাৰ॥
পুত্ৰৰ বিনয়ী ভাব কদাপিও নায়।
বিচাৰি মৃত্যুয়ে তাক ওচৰতে পায়॥৮৬॥
নোহোৱা নোপজা কথা নক'বা কদাপি।
আপোন চকুৰে যদি দেখাও তথাপি॥
ওপঙ্গিছে শিল যেনে পানীৰ মাজত।
বান্দৰে গাইছে গান তাৰ ওপৰত ৮৭॥
খাবলই থকা থাকে কৃষক জনত।
নিৰোগী যিজন সুখী এই জগতত॥
ভাৰ্য্য যাৰ পতিপ্ৰিয়া সেই সকলৰ।
ঘৰত পোহৰ থাকে নিতে উৎসৱৰ॥৮৮॥
কাৰ্য্যনাশ হেতু হেলা হয় মানবৰ।
বুধিনাশ হয় হেতু অভাব ধনৰ॥
খুজিলে মানৰ নাশ হয জগততে।
কুলনাশ হয় যদি খাই যতে ততে॥৮৯॥

আশ্ৰয় সদায় ল'বা ডাঙৰ গছৰ।
ফলফুল ছায়াঁ পৰা পাব পাৰি য'ৰ॥
দৈৱবশে যদি তাৰ গুটীও নহয়।
ছায়াঁটী গুচাব পাৰে কোনে কেনেকৈ ॥৯০॥
লৰা বয়সতে যদি বিদ্যা উপাৰ্জ্জন।
নকৰা ডেকাত যদি ধনলৈ মন॥
আদহীয়া হলে যদি নাই পূণ্যধন।
বুঢ় হলে কি কৰিবা কেনি দিবা মন ॥৯১॥
নদী কাষৰত আছে গছ লতা বন।
পৰৰ হাতত আছে সাঁচি থোৱা ধন॥
পাই ভু তিৰীয়ে যদি কথা যেই সেই।
জানিবা বিফল বাপা ! সকলো টী কেই ॥৯২॥
কুদেশ সোমালে ক'ত ধন পাই সাঁচি ?
কুপুত্ৰ লভিলে পাছে কি জলাঞ্জলি দিব।
কুতিৰোতা হলে সুখ আছে কি ঘৰত ?
কুশিষ্য পঢ়ালে যশস্যা বা লভে ক'ত ॥৯৩॥
বৰগছ ছাঁয়া আৰু সলিল নাদৰ।
শ্যামা গুণ যুতা নাৰী * ইট-পকীঘৰ॥

শীতকালে ভাবেতুষ্ণ উষ্ণকালে চশীতলা। নৱযৌবনম.
ধ্যস্থা সাশ্যামা পৰি কীৰ্ত্তিতা ! জাৰকালি তপত, ঘামকালি চেঁচা আৰু নতুন যুৱতী তিৰোতাক শ্যামা বোলে। এনেকুৱা

জাৰকালি হ’লে এই চাৰিটী তপত।
ঘামকালি হ’লে চেচাঁ হয় জগতত ॥৯৪॥
ৰাতি ফুৰা † বিষ বাপা! বুলি বখানয়।
ৰজাৰো অহিত হোৱা বিষ বুলি কয়॥
আনত আশক্তা তিৰী বিষৰ নিচিনা।
ব্যাধি বিষ হয় ভাল চিকিৎসাৰ বিনা ॥৯৫॥
বেয়া শীক্ষা পোৱা বিদ্যাবিষ বুলিকয়।
অজীনত খোৱাবোৰ বিষদৰে হয়॥
দৰিদ্ৰ লোকৰ সভা বিষাক্ত জানিবা।
বৃদ্ধৰ তৰুনী তিৰী বিষকে বুলিবা ॥৯৬॥
বাট হতচিৰী হল ৰাতি এন্ধাৰত।
হল তিৰী হতচিৰী নিৰতা পাপত॥
খেত হতচিৰী হল গুটী অভাৱত।
হল প্ৰভু হতচিৰা ভৃত্যৰ দোষত ॥৯৭॥
শ্ৰাদ্ধ নষ্ট হল নাই বেদজ্ঞ ব্ৰাহ্মন।
নাশ হ’ল যজ্ঞ যিটী হয় অদক্ষিণ॥
বন্ধ্যা নষ্ট গ’ল যদি হয় ৰূপবতী।
নাশ হল সেণা যদি নাই সেনাপতি ॥৯৮॥

গুনথকা ॥ † ৰাতি পুনঃ পুনঃ ভ্ৰমিলে অনেক পতিত সিধিনিহৰ এইবাবে ফুৰা অযুগুত॥

বেদ বেদাঙ্গৰ তত্ত্ব * জানে ভাল কৰি ।
প্ৰতিদিনে থাকে যেয়ে জপহোম কৰি ॥
সুনিপুন আশীৰ্ব্বাদ বাক্য ৰচনাত ।
সিজনেই ৰাজ পুৰোহিত বুলি খ্যাত ॥৯৯॥
সুকুলজ সুগুণী সুচৰিত্ৰ সুজন ।
বেদোক্ত সকল ধৰ্ম্ম কাৰ্য্য পৰায়ন ॥
আদেশ কৰিব জানে সুকৰ্ম্ম নিপুন ।
ৰাজ ধৰ্ম্মাধ্যক্ষ বুলি কয় সেইজন ॥১০০॥
আয়ুৰ্ব্বেদ শিকা আছে ভাল যিজনৰ ।
ধুনীয়া চকুত যিটী সকলো লোকৰ ॥
সুন্দৰ স্বভাব গুণে তুষিছে সদায় ।
বৈদ্যৰাজ বুলি নিযে আনন্দে বজাই ॥১০১॥
এবাৰ শুনিলে পাৰে যিঅৰ্থ ধৰিব ।
পাতল হাতেৰে বেগে যিপাৰে লেখিব ॥
দেখিছে আখৰ জিনা সকলো শাস্ত্ৰৰ ।
সিজনকে বুলি কয় উত্তম লেখক ॥১০২॥
সমুদয় নীতিশাস্ত্ৰে যিজন নিপুন ।
বাহন বিষয়ে যাৰ আছে ভালগুণ * ॥

* বেদ ঋক, যজু, সাম, অথৰ্ব্ব। বেদাঙ্গ শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ, জ্যোতিষ।

বলী আৰু পৰাক্ৰমী সুগুণ আধাৰ।
সেনাপতি মনোময় সিজন ৰজাৰ ॥১০৩॥
নেপাহৰে একো কথা সুবক্তা পণ্ডিত।
লোকৰ মনক বুজি কথা কয় হিত॥
অতি ধীৰ সচাঁ কথা কই ভাল পায়।
ইজন দূতক নিয়ে বিচাৰি ৰজাই ॥১০৪॥
নাতি পুতি থকা যিটী অতিগুণবাণ।
পাক শাস্ত্ৰ জনা মিষ্টৰান্ধনি প্ৰধান॥
বলী আৰু হাৰ টাণ হয় যিজনৰ।
নাম পৰে ভাল ৰান্ধনিত সিলোকৰ ॥১০৫॥
আকাৰে ইঙ্গিতে ভাব গ্ৰহণ কৰয়।
বলী আৰু সুদৰ্শণ যিজন হোৱয়॥
সাবধানে ফুৰে সদা কামত পাৰ্গত।
সিজন দুৱৰী ৰাখে ৰজাৰ ঘৰত ॥১০৬॥
বুদ্ধিৰ প্ৰভাব নাই যিজন লোকৰ।
কি কৰিব পাৰিবনো শাস্ত্ৰে সিজনৰ ?
যাৰ নাই চক্ষু দুটীয়েই বৰ্ত্তমান।
আছে জানো তাৰ কিবা আৰ্চ্চিত সকাম ॥১০৭॥

* যিজনে ভালকৈ ঘোঁৰা আদি চোৱাৰী কৰিব পাৰে আৰু সেই বিষয়ত যাৰ ভাল অভিজ্ঞতা আছে।

বক্তাজনে পাৰে কিকৰিব সি সময়ে।
শুনোতা নহয় যি থানত যি সময়ে॥
নাঙ্গঠা সন্ন্যাসী আছে যি দেশত ভৰি।
ধোবাই জীবিকা তাত পাব কিনো কৰি॥১০৮॥

নীতিমালাৰ প্ৰথম পাহ সমাপ্ত।

---

কোমল প্ৰকৃতি হেৰা সৰু বয়সীয়া।
মইনা বোপাতী হাতে হাতে তুলি লোৱা॥
সুনীতি গছৰ ফুল কাব্য কাননৰ।
অপূৰ্ব্ব মনক মোহা চানক্য হাতৰ॥১০৯॥
ল'ৰা বয়সৰ মন এঠা কঠালৰ।
দুয়োটি সমান বস্তু এই সংসাৰৰ॥
কোমল কঠাল এঠা লাগে সকলোতে।
লৰাৰ কোমল মন লাগে যতে ততে॥১১০॥
ডেকা হ'লা সংসাৰৰ বান্ধনি পৰিব।
চিন্তা ভাবনাই আহি মেৰাই ধৰিব।
তেতিয়া কদাপি আৰু ল'ৰাৰ মনত।
থকাৰ সিচিনা নেথাকিব হৃদয়ত॥১১১॥

---

# জাননী

তলত লিখা কিতাপ বিলাক আমালৈ লিখিলে পাব পাৰিব। ইয়াৰ বাহিৰেও আন সকলো কিতাপ আছে।

| | | | |
|---|---|---|---|
| পকা বন্ধা কীৰ্ত্তন ঘোষা | ২॥০ | ৰুক্মিণী হৰণ | ৸০ |
| পকা বন্ধা দশম | ২৲ | কুমৰহৰণ | ॥০ |
| ঐ বঘাসুৰ বধ | ২৲ | উষাহৰণ | ।৵০ |
| ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ | ১৲ | ভীমচৰিত্ৰ | ।০ |
| ঐ পকাবন্ধা | ১॥০ | বৰ দেজোলী | ।০ |
| পকা বন্ধা ১৮ পৰ্ব্ব মহাভাৰত | ২৲ | বৰ কৰতি | ।৵০ |
| | | নিদান | ॥০ |
| পকা বন্ধা ৭ কাণ্ড ৰামায়ণ | ১।০ | বভ্ৰুবাহ পৰ্ব্ব | ॥০ |
| | | ভীষ্ম পৰ্ব্ব | ৸০ |
| পকা বন্ধা শ্ৰীমদ্ভাগবত-দ্বাদশ স্কন্ধ | ২॥০ | উদ্যোগ পৰ্ব্ব | ॥০ |
| | | কৰ্ণ পৰ্ব্ব | ॥০ |
| অসমীয়া পদ্য গীতা | ১৲ | স্বৰ্গাৰোহণ পৰ্ব্ব | ।০ |
| অনাদি পাতন | ॥০ | সীতা বনবাস | ।৵০ |
| গুপ্তমণি | ।৵০ | শক্তিশেল | ।০ |
| ৰাধাহৰণ | ।০ | প্ৰহ্লাদ চৰিত্ৰ | ।৵০ |
| ধৰ্ম্ম সংবাদ | ।০ | ব্ৰাহ্মণ ক্ৰিয়া সাৰ | ।৵০ |
| লক্ষ্মীচৰিত্ৰ | ৴০ | ব্ৰাহ্মণ জীবন | ১৲ |
| পাতালি কাণ্ড ৰামায়ণ | ॥৵০ | বড় গীত | |

শ্ৰীশিৱনাথ ৰ

পোঃ আঃ ৰিহাবাৰি—আসাম।